**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-01-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::::***

১। সমাগত ৭৭ সংখ্যক গণৰাজ্য দিৰস উদযাপনত মুখ্য অতিথি হিচাপে ইউৰোপীয় পৰিষদৰ সভাপতি আৰু ইউৰোপীয় আয়োগৰ সভাপতিমুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

২। আজি সেনাবাহিনী দিৱস। এই উপলক্ষে উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰীয়ে সেনাবাহিনীৰ সাহসী বিষয়া, সৈনিক আৰু প্ৰাক্তন সৈনিকসকলক শুভেচ্ছা জনায়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত ষ্টাৰ্ট আপ ইণ্ডিয়া উদ্যমৰ এক দশক সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৪। ইৰাণৰ পৰিস্থিতি সন্দৰ্ভত আজি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব।

*আৰু*

৫। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয়সকলক সম্প্ৰতি ইৰান ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে।০০০

০০০০

সমাগত ৭৭ সংখ্যক গণৰাজ্য দিৰস উদযাপনত মুখ্য অতিথি হিচাপে ইউৰোপীয় পৰিষদৰ সভাপতি এণ্ট'নিঅ' লুইছ ছেণ্ট'ছ দ্যা কোষ্টা আৰু ইউৰোপীয় আয়োগৰ সভাপতি উৰচুলা ভ'ন দাৰ লেয়েন উপস্থিত থাকিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে এই দুয়োগৰাকী নেতাই ২৫ জানুৱাৰীৰ পৰা তিনি দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এই ভ্ৰমণৰ কালছোৱাত ২৭ জানুৱাৰী তাৰিখে ভাৰত-ইউৰোপীয় ইউনিয়নৰ ১৬ সংখ্যক সন্মিলনতো এই নেতা দুগৰাকীয়ে অংশগ্ৰহণ কৰিব। দুয়োগৰাকী ইউৰোপীয় নেতাই ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰি প্ৰধানমন্ত্ৰী মোদীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰত আৰু ইউৰোপীয় সংঘ ২০০৪ চনৰ পৰাই কৌশলগত অংশীদাৰ হৈ আহিছে। উল্লেখযোগ্য যে, ১৫ সংখ্যক ভাৰত ইউৰোপীয় সংঘৰ সন্মিলন ২০২০ চনৰ ১৫ জুলাইত ভাৰ্চুৱেলী অনুষ্ঠিত হৈছে। যোৱা বছৰ ফেব্ৰুৱাৰী মাহত ইউৰোপীয়ান কলেজ অব কমিছনাৰ্ছ অৰ্থাৎ ২৭ খন ইউৰোপীয় দেশৰ আয়ুক্তসকলক লৈ গঠন কৰা সংঘৰ ঐতিহাসিক ভাৰত ভ্ৰমণৰ পিছতেই দ্বিপাক্ষিক সম্পৰ্ক অধিক সম্প্ৰসাৰিত আৰু গাঢ় হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে ৭৭ সংখ্যক গণৰাজ্য দিৰসত ইউৰোপীয়ান নেতাই অংশগ্ৰহণ কৰি ভাৰত আৰু ইউৰোপৰ মাজৰ কৌশলগত অংশীদাৰিত্ব আৰু অধিক মজবুত হ'ব আৰু পাৰস্পৰিক সহযোগিতাৰ বিষয়সমূহ আগবঢ়াই নিয়াত সহায়ক হ'ব।

০০০০

আজি সেনাবাহিনী দিৱস। এই উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ভাৰতীয় সেনাবাহিনীৰ সাহসী বিষয়া, সৈনিক আৰু প্ৰাক্তনসকলক শুভেচ্ছা জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিয়ে কয় যে সৈনিকসকলৰ অদম্য সাহস, নিয়মানুৱৰ্তিতা আৰু সৰ্বোচ্চ ত্যাগে দেশখনক দি অহা সুৰক্ষাই প্ৰতিজন নাগৰিকক উদ্বুদ্ধ কৰি আহিছে। সৈনিকসকলৰ নিঃস্বাৰ্থ সেৱা আৰু দেশৰ একতা তথা অখণ্ডতা ৰক্ষাৰ বাবে থকা প্ৰতিশ্ৰুতিবদ্ধতাক দেশবাসীয়ে সদায় সন্মান কৰি আহিছে বুলিও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীৰাধাকৃষ্ণণে কয় যে কৰ্তব্যত থকা অৱস্থাত জীৱন ত্যাগ কৰা বীৰ যোদ্ধাসকলক দেশে সদায় মনত ৰাখিব।

সেনাবাহিনী দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰতীয় সেনাৰ সাহস আৰু দৃঢ় দায়বদ্ধতাক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ বাৰ্তাত কয়, যে দেশৰ জোৱানসকলে নিঃস্বাৰ্থ সেৱাৰ প্ৰতীক হিচাপে আৰু যিকোনো প্ৰত্যাহ্বানজনক পৰিস্থিতি নেওচি ৰাষ্ট্ৰক সুৰক্ষিত কৰে। তেওঁ কয়, যে তেওঁলোকৰ কৰ্তব্যবোধে সমগ্ৰ দেশতে আত্মবিশ্বাস আৰু কৃতজ্ঞতাৰ সৃষ্টি কৰে। ***(বাইট ঃ মোদী)***

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সেনাবাহিনী দিৱস উপলক্ষে ভাৰতীয় সেনাৰ বিষয়া, জোৱান আৰু তেওঁলোকৰ পৰিয়ালসমূহক অভিনন্দন জনাইছে। শ্ৰীসিঙে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে ভাৰতীয় সেনাবাহিনীৰ সাহস, সৰ্বোচ্চ ত্যাগ আৰু দেশ ৰক্ষাৰ বাবে থকা প্ৰতিশ্ৰুতিবদ্ধতাক দেশবাসীয়ে সদায় সন্মান জনাই আহিছে। দেশৰ সীমান্ত ৰক্ষাৰ লগতে সংঘাতৰ সময়ত দেখুওৱা সাহসৰ কথা উল্লেখ কৰি শ্ৰীসিঙে কয় যে পেছাদাৰী মনোভাৱ, নিয়মানুৱৰ্তিতা আৰু মানৱ সেৱাৰ বাবে ভাৰতীয় সেনাবাহিনীয়ে বিশ্বৰ সমীহ আদায় কৰিবলৈ সমৰ্থ হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত ষ্টাৰ্টআপ ইণ্ডিয়া উদ্যমৰ এক দশক সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দেশৰ ষ্টাৰ্ট আপ ব্যৱস্থাৰ সৈতে জড়িত লোকসকলৰ সৈতে মতবিনিময় কৰিব। ষ্টাৰ্টআপ খণ্ডৰ বচা বচা প্ৰতিনিধিয়ে তেওঁলোকৰ উদ্যমী যাত্ৰাৰ অভিজ্ঞতাৰ বিষয়ে অনুষ্ঠানত অৱগত কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্ভাৱন, উদ্যমশীলতাৰ প্ৰসাৰ আৰু বিনিয়োগ আধাৰিত বিকাশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০১৬চনৰ ১৬ জানুৱাৰীত ষ্টাৰ্ট আপ ইণ্ডিয়া উদ্যম মুকলি কৰিছিল। ভাৰতবৰ্ষক চাকৰি প্ৰত্যাশীৰ পৰিৱৰ্তে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিকাৰী ৰাষ্ট্ৰৰূপে গঢ়িতোলাই এই উদ্যমৰ মূল উদ্দেশ্য।

বিগত দশকত ষ্টাৰ্টআপ ইণ্ডিয়া ভাৰতৰ অৰ্থনৈতিক আৰু উদ্ভাৱনমূলক পৰিকাঠামোৰ মূল ভেটি ৰূপে পৰিগণিত হৈছে। এই উদ্যমে প্ৰতিষ্ঠানগত ব্যৱস্থা সবল কৰি তুলিছে আৰু পুঁজি তথা দিকনিৰ্দেশনা লাভৰ প্ৰক্ৰিয়া সুগম কৰি তুলিছে।

০০০০

শেহতীয়াকৈ কলকাতাত থকা ৰাজনৈতিক পৰামৰ্শদাতা প্ৰতিষ্ঠান I-PAC আৰু সহ-প্ৰতিষ্ঠাপক প্ৰতীক জৈনৰ বাসগৃহত বিধিবলৱৎকাৰী সংস্থাই তালাচী চলোৱাক লৈ পশ্চিমবংগ আৰক্ষীয়ে ৰুজু কৰা এজাহাৰ উচ্চতম ন্যায়ালয়ে আজি স্থগিত ৰাখিছে। উচ্চতম ন্যায়ালয়ে লক্ষ্য কৰিছে যে, এই আবেদনসমূহে কেন্দ্ৰীয় তদন্তত ৰাজ্যিক সংস্থাসমূহৰ  হস্তক্ষেপৰ অভিযোগৰ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। যোৱা সপ্তাহত চলোৱা তালাচী অভিযানৰ সময়ত বাধা দিয়াৰ অভিযোগ উত্থাপন কৰি ইডিৰ আবেদন সন্দৰ্ভত ন্যায়াধীশ প্ৰশান্ত কুমাৰ মিশ্ৰ আৰু বিপুল পাঞ্চালীৰ বিচাৰপীঠে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, আৰক্ষী সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰ আৰু কলকাতা

আৰক্ষী আয়ুক্তলৈ জাননী জাৰি কৰে। বিচাৰপীঠখনে উত্তৰদাতাসকলক শপতনামা দাখিল কৰিবলৈ দুসপ্তাহৰ সময়সীমা বান্ধি দিয়ে আৰু অহা মাহৰ তিনি তাৰিখে পৰৱৰ্তী শুনানীৰ বাবে বিষয়টো পঞ্জীভুক্ত কৰে।

০০০০

ইৰাণৰ পৰিস্থিতি সন্দৰ্ভত আজি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব। ইৰাণত কেইবা সপ্তাহ ধৰি দেশজুৰি চলি থকা প্ৰতিবাদ আৰু কৰ্তৃপক্ষৰ হিংসাত্মক দমনৰ পাছত উত্তেজনা অব্যাহত আছে। ইৰাণে নিশাৰ ভিতৰতে প্ৰায় পাঁচ ঘণ্টাৰ বাবে নিজৰ সমগ্ৰ আকাশমাৰ্গ কিছু সময়ৰ বাবে বন্ধ কৰি দিয়াৰ এদিন পাছতে এই বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ ফলত কেইবাটাও আন্তঃৰাষ্ট্ৰীয় বিমান সংস্থাই বিমান সেৱাৰ পথ সলনি বা বাতিল কৰিবলগীয়া হৈছিল। ইৰাণৰ অসামৰিক বিমান পৰিবহণ কৰ্তৃপক্ষই আজি পুৱা আকাশমাৰ্গ মুকলি কৰে আৰু ক্ৰমান্বয়ে ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় সেৱা আৰম্ভ হয়।

আমেৰিকাই সামৰিক ব্যৱস্থা গ্ৰহণ কৰিলে চুবুৰীয়া দেশসমূহত আমেৰিকাৰ সুবিধাসমূহ লক্ষ্য কৰি লোৱা হ'ব পাৰে বুলি ইৰাণৰ জ্যেষ্ঠ বিষয়াসকলে সকীয়াই দিয়াৰ পিছতে আমেৰিকাই সতৰ্কতামূলক ব্যৱস্থা হিচাপে পশ্চিম এছিয়াত থকা সামৰিক ঘাটিসমূহৰ পৰা কিছু কৰ্মী প্ৰত্যাহাৰ কৰিবলৈ আৰম্ভ কৰিছে। এজন পশ্চিমীয়া সামৰিক বিষয়াই কয় যে এই পদক্ষেপে অধিক অনিশ্চয়তাক প্ৰতিফলিত কৰিছে আৰু লগতে কয় যে অনিশ্চয়তা আমেৰিকাৰ কৌশলৰ অংশ হৈ পৰিছে। ইৰাণৰ নেতৃত্বই বাহ্যিক শক্তিসমূহে অশান্তিৰ ইন্ধন যোগোৱাৰ অভিযোগ উত্থাপন কৰাৰ লগতে ইৰাণ আলোচনাক আদৰণি জনোৱাৰ লগতে যুদ্ধৰ বাবেও সাজু বুলি ঘোষণা কৰিছে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয়সকলক সম্প্ৰতি ইৰান ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে। মধ্যপ্ৰাচ্যৰ দেশখনৰ সুৰক্ষা ব্যৱস্থাৰ অধিক অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিততে মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে সাম্প্ৰতিক পৰিস্থিতিত পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত ভাৰতীয়সকলক দেশখন ভ্ৰমণ কৰাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। লগতে ইৰানবাসী ভাৰতীয়সকলক তেহৰানত থকা ভাৰতীয় দূতাবাসত নিজৰ নাম পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইপিনে, তেহৰানৰ ভাৰতীয় দূতাবাসে ইৰানত থকা শিক্ষাৰ্থী, পৰ্যটক, ব্যৱসায়ী, তীৰ্থযাত্ৰী আদি সকলোকে শীঘ্ৰে দেশখন ত্যাগ কৰিবলৈ পৰামৰ্শ দিছে। দূতাবাসে লগতে প্ৰবাসী ভাৰতীয়সকলক তেওঁলোকৰ নথিপত্ৰ ঠিকমতে যোগাৰ ৰাখিবলৈও আহ্বান জনাইছে।

০০০০

আজি বিয়লি ৩.৩০ বজালৈ বৃহনমুম্বাই পৌৰ নিগমৰ নিৰ্বাচনত ৪১.০৮ শতাংশ ভোটদান হয়। মহাৰাষ্ট্ৰৰ অন্যান্য পৌৰ নিগমসমূহতো একেধৰণৰ ধাৰা পৰিলক্ষিত

হৈছে।পাৰভানীত ৫৬ শতাংশ ভোটগ্ৰহণ হোৱাৰ বিপৰীতে কলহাপুৰত বিয়লিলৈকে ৫১ শতাংশ ভোটদান হৈছে অহিল্যানগৰত ৪৮.৪৯ শতাংশ ভোটদান, ইচালকাৰঞ্জী আৰু জালনাত ৪৬ শতাংশকৈ আৰু নৱী মুম্বাইত ৪৫ শতাংশ ভোটদান হৈছে।

লাটুৰ আৰু পানভেলত ৪৪ শতাংশ ভোটদানৰ বিপৰীতে আকোলাত ৪৩ শতাংশ ভোটদান হয়। সাংলি-মিৰাজত ভোটদানৰ হাৰ ৪২ শতাংশ হোৱাৰ বিপৰীতে থানে আৰু নন্দেদ ৱাঘলাত ৪১ শতাংশকৈ ভোটদান হয়। পিমপ্ৰি চিঞ্চৱাদ, মালেগাওঁ আৰু আমৰাৱতীত ৪০ শতাংশ ভোটগ্ৰহণ হোৱাৰ বিপৰীতে ধূলেত ৩৬ শতাংশ আৰু জলগাঁৱত ২৯ শতাংশ ভোটগ্ৰহণ হৈছে ।

০০০০

সামাজিক মাধ্যমত ভাৰতীয় ষ্টেট বেংকৰ নামত আধাৰ আপডেট কৰিবলৈ ব্যৱহাৰকাৰীয়ে এ পি কে ফাইল ডাউনলোড কৰি ইনষ্টল কৰিব লাগে বুলি প্ৰচাৰিত হৈ থকা বাৰ্তাটো চৰকাৰে খণ্ডন কৰিছে। ভিডিঅ'টোত কোৱা হৈছে যে, যদি আধাৰ আপডেট নহয় তেন্তে এছ বি আই ইউন' এপটো বন্ধ কৰা হ'ব। প্ৰেছ ইনফৰমেছন ব্যুৰোৰ ফেক্ট চেক ইউনিটে এইটো ভুৱা বুলি জানিবলৈ দিয়ে। ইয়াৰ দ্বাৰা জনসাধাৰণক কোনো এপিকে ফাইল ডাউনলোড নকৰিবলৈ, ব্যক্তিগত বেংকিং বা আধাৰৰ সবিশেষ নিদিবৰ বাবে পৰামৰ্শ দিয়া হৈছে। পি আই বিয়ে নাগৰিকসকলক সন্দেহজনক বাৰ্তাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে report.phishing@sbi.co.in ত জনাবৰ বাবে কয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সামাজিক মাধ্যমত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই লিখা এটা প্ৰবন্ধ প্ৰচাৰ কৰে। ভাৰতে নিজৰ শক্তিশালী ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি কমনৱেলথ্ সম্প্ৰদায়ৰ সৈতে কেনেদৰে বিতৰণ কৰিবলৈ সাজু হৈছে, সেই বিষয়ে প্ৰধানমন্ত্ৰীয়ে আলোকপাত কৰে। শ্ৰী মোদীয়ে কয়, যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ প্ৰবন্ধটোৱে **বসুধৈব কুটুম্বকম**ৰ মনোভাৱৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাক দাঙি ধৰিছে। প্ৰবন্ধটোত উল্লেখ কৰা হৈছে যে, যিহেতু ভাৰতে কমনৱেলথ্ৰ ২৮ সংখ্যক অধ্যক্ষ হিচাপে সন্মিলন আয়োজন কৰিছিল। সেয়েহে দেশখনে প্ৰযুক্তিক ব্যক্তিগত সম্পত্তি হিচাপে নেভাৱে বৰঞ্চ ৰাজহুৱা সম্পদ হিচাপেহে গণ্য কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ